# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-03-2026
**Time :** 0755 Hrs.

# *Assamese Morning Bulletin*

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। কোকৰাঝাৰৰ বড়োফা নগৰৰ গ্ৰীন ফিল্ডত দিনৰ আঢ়ৈ বজাত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে বাঁশবাৰীত মালবাহী ৰে'লৰ নিয়মিত মেৰামতি কাৰখানা, কেইবাখনো উৰণ সেঁতু আৰু দুখনকৈ দলঙৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে উন্নত যাতায়াত ব্যৱস্থাৰে বি টি চি এলেকাৰ উন্নয়নৰ লক্ষ্যৰে তিনিখনকৈ নতুন ৰে'লগাড়ী মুকলি কৰিব।

প্ৰধানমন্ত্ৰী মোদী বিয়লি ৫ বজাত গুৱাহাটীলৈ আহিব আৰু খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ আন্তঃগাঁথনি আৰু শক্তিখণ্ডৰ উন্নয়নেৰে সবল অসম নিৰ্মাণৰ দিশত উল্লেখনীয় পদক্ষেপ হিচাপে গুৱাহাটীত ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে আজি ১২০ মেগাৱাট শক্তিসম্পন্ন কপিলী জলবিদ্যুৎ প্ৰকল্প, নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট পাইপলাইনৰ ক্ষমতা বৃদ্ধি আৰু উত্তৰ-পূব গেছ গ্ৰীডৰ প্ৰথম পৰ্যায় উদ্বোধন কৰিব। তেওঁ লগতে নুমলীগড় শোধনাগাৰ লিমিটেডৰ ৰে'ল সংযোগী পি অ' এল টাৰ্মিনেল আৰু কেইবাটাও মুখ্য ৰে'লপথৰ বৈদ্যুতিকীকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী মোদীয়ে মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ ৭০৭ খন চাহ বাগিচাত বাস কৰা ৩ লাখ ৫০ হাজাৰৰো অধিক পৰিয়ালক ভূমিপট্টা প্ৰদান কৰিব। তেওঁ লগতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰিব।

শ্ৰীমোদীয়ে কাইলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ বাবে শিলচৰত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে।

০০০০০০০

ৰাজ্যত ৰন্ধন গেছৰ চিলিণ্ডাৰৰ ক'লা বজাৰ চলোৱা অসাধু চক্ৰৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কঠোৰ নিৰ্দেশ জাৰি কৰিছে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কালি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কোনো চক্ৰই যাতে অতিৰিক্ত চিলিণ্ডাৰ ক্ৰয় কৰি ক'লা বজাৰ চলাব নোৱাৰে তাৰবাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে সকলো জিলাৰ আয়ুক্তলৈ নিৰ্দেশ জাৰি কৰা হৈছে বুলি ডঃ শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে ৰন্ধন গেছৰ চিলিণ্ডাৰ বুকিঙৰ সময়সীমা বৃদ্ধি কৰিছে বুলিও জানিবলৈ দিয়ে। এই সন্দৰ্ভত অতি শীঘ্ৰেই তেওঁ জিলা আয়ুক্তসকলৰ সৈতে বৈঠকত মিলিত হ'ব বুলি প্ৰকাশ কৰে।

*-বাইট-*

উল্লেখযোগ্য যে, পশ্চিম এছিয়াৰ যুদ্ধৰ পৰিপ্ৰেক্ষিতত ইন্ধনৰ বজাৰত প্ৰভাৱ পৰাৰ ফলত বিভিন্ন ঠাইত প্ৰথমে ৰন্ধন গেছৰ নাটনিয়ে দেখা দিছে।

0000000

আশা স্বাস্থ্যকৰ্মীসকলৰ কাম-কাজ নিয়াৰিকৈ চলোৱাৰ ক্ষেত্ৰত সহায় কৰাৰ উদ্দেশ্যে জিলা স্বাস্থ্য সমিতিৰ লখিমপুৰৰ উদ্যোগত কালি মোবাইল ফোন বিতৰণ কৰা হয়। লখিমপুৰ বিধানসভা সমষ্টিৰ আশাকৰ্মী আৰু আশা ছুপাৰ ভাইজাৰসকলৰ মাজত এই ফোনসমূহ বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত স্থানীয় বিধায়ক মানৱ ডেকাৰ লগতে স্বাস্থ্য বিভাগৰ বিষয়া আৰু আশাকৰ্মীসকলৰ উপস্থিত থাকে।

0000000

গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত এখন স্বতন্ত্ৰ, আদালতৰ জৰিয়তে নিৰীক্ষণ কৰাৰ বাবে জনোৱা ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনৰ শুনানি গ্ৰহণ কৰিব। আবেদনকাৰীসকলে, এছ্ আই টিৰ তদন্তৰ পাছতো প্ৰাৰম্ভিক তদন্তত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰাৰ ফলত আদালতে এই গোচৰটো অধিক তীক্ষ্ণভাৱে নিৰীক্ষণ কৰিবলৈ বাধ্য হৈছে।

0000000

ৰাজ্যৰ প্ৰবীণ ক্ৰীড়া সাংবাদিক, বিশিষ্ট ক্ৰীড়া সংগঠক, ক্ৰীড়া ধাৰাভাষ্যকাৰ প্ৰেমধৰ শৰ্মাৰ দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত কালি দেহাৰসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ।

0000000

**সমাপ্ত**